# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-05-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে চলিত পৰ্যটন বৰ্ষত সৰ্বাধিক পৰ্যটকে পৰিদৰ্শন কৰা দেশৰ ৰাষ্ট্ৰীয় উদ্যানৰ তালিকাত তৃতীয় স্থান লাভ কৰিছে। ২০২৪-২৫ পৰ্যটন বৰ্ষত ৪ লাখ ৪৩ হাজাৰ পৰ্যটকে উদ্যানখন ভ্ৰমণ কৰিছিল। ইয়াৰ পৰা ১১ কোটি টকাৰো অধিক ৰাজহ সংগ্ৰহ হৈছে বুলি উদ্যানখনৰ সঞ্চালক ডং সোণালী ঘোষে প্ৰকাশ কৰিছে। যোৱা বছৰৰ তুলনাত এইবাৰ ৩৫ শতাংশ পৰ্যটক বৃদ্ধি হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

উল্লেখযোগ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে আজিৰে পৰা বন্ধ কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই যোৱা ১ মে’ত হাতী চাফাৰী বন্ধ কৰিছিল। হাতী চাফাৰী বন্ধ হোৱাৰ পাছত পৰ্যটকৰ বাবে উদ্যানখনত জীপ চাফাৰী উপলব্ধ আছিল।

ooooo

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত কাইলৈ আৰক্ষী অধীক্ষকৰ সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্মিলনৰ বাবে প্ৰতিষ্ঠানটোত সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত বিশেষ অতিথি হিচাপে অংশ লোৱাৰ কথা। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছতে ডং শৰ্মাই প্ৰতি ছমাহত অসম আৰক্ষী অধীক্ষকৰ সন্মিলন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত আইনৰ শাসন সুনিশ্চিত কৰাৰ বাবে আৰক্ষী অধীক্ষকসকলক লক্ষ্য স্থিৰ কৰি দিছিল। কাইলৈ এই সন্মিলনত মুখ্যমন্ত্ৰী ডং শৰ্মাই বিভিন্ন জিলাৰ আৰক্ষী অধীক্ষকসকলৰ পৰা বিগত সময়ছোৱাৰ কাম-কাজ আৰু আইন-শৃংখলা পৰিস্থিতি সম্পৰ্কীয় সবিশেষ তথ্য গ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

ooooo

অসম আৰক্ষীয়ে দেশবিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে অভিযান চলাই এতিয়ালৈকে বিভিন্ন জিলাৰ পৰা ৭১ জন লোকক গ্ৰেপ্তাৰ কৰিছে। শেহতীয়াকৈ দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত কোকৰাঝাৰৰ পৰা ৰূপচান্দ আলী, গোৱালপাৰাৰ পৰা ৰছিদ মণ্ডল আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ৰাজু শ্বেইখ নামৰ লোককেইজনক গ্ৰেপ্তাৰ কৰা হৈছে।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষীয়ে এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি উল্লেখ কৰিছে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী মন্তব্য দৃষ্টি গোচৰ হোৱাৰ মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়। দেশ বিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে কোনো ধৰণৰ সহানুভূতি প্ৰদৰ্শন কৰা নহ’ব বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

ooooo

চৰাইদেউ জিলাৰ সোণাৰিত ডাইনী অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ এগৰাকী মহিলাক হত্যাৰ ১৩ বছৰ পুৰণি গোচৰত আজি ২৩ জন লোকক একেলগে যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি বিহা হয়। চৰাইদেউ জিলাৰ ন্যায়িক আদালতে আজি এই ঐতিহাসিক ৰায় দিয়ে। উল্লেখযোগ্য যে ২০১২ চনৰ ৯ ফেব্ৰুৱাৰীত চৰাইদেউৰ

জলহা গাঁৱত একাংশ দুষ্কৃতিকাৰীৰ আক্ৰমণত ফুলেশ্বৰী হালোৱা নামৰ মহিলাগৰাকীয়ে প্ৰাণ হেৰুৱাইছিল। অন্ধ বিশ্বাসৰ বশৱৰ্তী হৈ এই লোকসকলে মহিলাগৰাকীক শাৰীৰিক নিৰ্যাতন চলোৱাৰ উপৰি অগ্নি সংযোগ কৰি হত্যা কৰিছিল। মহিলাগৰাকীৰ পুত্ৰই সোণাৰি থানাত দিয়া এজাহাৰৰ ভিত্তিত কমেও ৩৫ জন লোকক আটক কৰা হৈছিল। ১৩ বছৰ ধৰি চলি থকা এই গোচৰৰ আজি প্ৰদান কৰা ৰায় অনুসৰি অপৰাধী বুলি প্ৰমাণিত ২৩ জন লোকক যাৱজ্জীৱন কাৰাদণ্ডৰ লগতে ৫ হাজাৰকৈ টকাৰ জৰিমনা বিহা হৈছে। তদুপৰি ভুক্তভোগী পৰিয়ালক ক্ষতিপূৰণ হিচাপে ৮ লাখ টকা প্ৰদান কৰিবলৈ ন্যায়ালয়ে নিৰ্দেশ দিছে।

ooooo

সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাক দুলীয়াজান আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। যোৱানিশা দুলীয়াজানৰ এটা তেলডিপোত দুটা ফৈদৰ মাজত হোৱা হতাহতিৰ ঘটনাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। তেল ডিপোটোৰ কৰ্মচাৰীক শাৰীৰিক প্ৰহাৰ কৰা বুলি প্ৰতিষ্ঠানটোৰ একাংশ কৰ্মচাৰীয়ে ৰুজু কৰা গোচৰৰ ভিত্তিত তেওঁক আটক কৰা হৈছিল। দুলীয়াজান আৰক্ষীয়ে আজি ভাৰতীয় ন্যায় সংহিতাৰ নিৰ্দিষ্ট ধাৰাৰ অধীনত ৰুজু হোৱা গোচৰৰ ভিত্তিত প্ৰাক্তন ছাত্ৰ নেতাজনক গ্ৰেপ্তাৰ কৰে।

ooooo

পশ্চিম কাৰ্বি আংলঙৰ জিলা আয়ুক্ত সাৰংগপানি শৰ্মাই আজি ডালিমবাৰীৰ আদৰ্শ বিদ্যালয় পৰিদৰ্শন কৰি শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে শৈক্ষিক বাতাবৰণ সন্দৰ্ভত আলোচনা কৰে। জিলা আয়ুক্তগৰাকীয়ে বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ উন্নীতকৰণৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা দিশসমূহ ক্ৰমান্বয়ে পূৰণ কৰা হ'ব বুলি প্ৰকাশ কৰে। তেওঁ লগতে দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলক বিজ্ঞান বিষয়ৰ পাঠদান কৰে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কৰ ভৱনত বিত্তমন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত কৰ সংগ্ৰহৰ বিভিন্ন বিষয় সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যত সমন্বিত বস্তু আৰু সেৱা কৰ, আই জি এছ টি সংগ্ৰহৰ বৰ্তমান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। তেওঁ আই জি এছ টি সংগ্ৰহ বৃদ্ধি কৰিবলৈ প্ৰয়োজনীয় আৰু সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। তেওঁ লগতে কৰ সংগ্ৰহৰ ক্ষেত্ৰত থকা সমস্যাসমূহ বিচাৰি উলিয়াই ৰাজহ সংগ্ৰহৰ সমগ্ৰ ব্যৱস্থাটো সুচল কৰি তোলাটো নিশ্চিত কৰাৰ বাবে পযেকীয়া বৈঠক অনুষ্ঠিত কৰিবলৈ মুখ্য সচিব ড০ ৰবি কোটাক পৰামৰ্শ দিয়ে।

ooooo

১৯৬১ চনৰ ১৯ মে'ত বাংলা ভাষাৰ অধিকাৰৰ বাবে শিলচৰত প্ৰাণ আহুতি দিয়া ১১ গৰাকী ছহিদৰ স্মৃতিত আজি বৰাক উপত্যকাত ৬৪ সংখ্যক ভাষা ছহিদ দিৱস পালন কৰা হয়। কাছাৰ জিলাৰ শিলচৰ ৰে'ল ষ্টেচনৰ ছহিদ বেদী, শ্মশান ঘাটৰ ছহিদ বেদী আৰু গান্ধীবাগৰ স্মৃতি সৌধত সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে মাতৃভাষাৰ হকে প্ৰাণ আহুতি দিয়া ছহিদকেইগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। বৰাক উপত্যকাৰ আমাৰ সংবাদদাতাসকলে জনোৱা মতে আজি পুৱা শ্ৰীভূমি, হাইলাকান্দি আৰু কাছাৰ জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে ছহিদসকলৰ স্মৃতিত শোভাযাত্ৰা উলিয়ায়। কেইবাটাও ক্লাবৰ উদ্যোগতো আজি ভাষা ছহিদ দিৱস পালন কৰা হয়। বৰাক উপত্যকা উন্নয়ন মন্ত্ৰী কৌশিক ৰায়ে এই উপলক্ষে কয়, যে অসম চৰকাৰে ইতিমধ্যে বৰাক উপত্যকাত চৰকাৰী কাম-কাজত বাংলা ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰিছে। অ

ooooo

সমাপ্ত